Total No. of Printed Pages—4

**2 SEM TDC ASM MIL (A) 1**

**2020**

ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 201

**( অসমীয়া ভাষাৰ প্ৰায়োগিক জ্ঞান )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৬=৬

(ক) 'অসমীয়া আখৰ জোঁটনি সমীক্ষা' গ্ৰন্থখন কোনে ৰচনা কৰিছে?

(খ) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি মুঠতে কেইটা?

(গ) 'বিঃ দ্ৰঃ'ৰ সম্পূৰ্ণ ৰূপটো লিখাঁ।

(ঘ) 'অনুবাদ : তত্ত্ব আৰু প্ৰয়োগ' গ্ৰন্থখন কাৰ ৰচনা?

(ঙ) 'হেমকোষ' কোনে ৰচনা কৰিছে?

(চ) ( ! )—এই যতি চিনক অসমীয়াত কি বুলি কোৱা হয়?

২। (ক) তোমাৰ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপকে ২৫মে তাৰিখে অৱসৰ গ্ৰহণ কৰিব। তেখেতক বিদায় সম্বৰ্ধনা জনোৱাৰ বাবে এখন সভাৰ অনুমতি বিচাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়লৈ এখন আবেদনপত্ৰ লিখাঁ। ৯

*অথবা*

(খ) অসমীয়া ভাষা সাহিত্যৰ মহীৰূহ ডঃ গোলোক চন্দ্ৰ গোস্বামীৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে তোমাৰ অঞ্চলৰ বৌদ্ধিক সংগঠন, প্ৰতিষ্ঠান একত্ৰিত হৈ অনুষ্ঠিত কৰা সভাত সৰ্বসম্মতিক্ৰমে গৃহীত হোৱা প্ৰস্তাৱকেইটা সামৰি সভাখনৰ এখন বিস্তৃত কাৰ্যবিৱৰণী প্ৰস্তুত কৰাঁ।

৩। (ক) নগৰৰ পৌৰসভা এলেকাৰ অনিয়মীয়া পানী যোগান ব্যৱস্থা নিয়মীয়া কৰিবলৈ অনুৰোধ জনাই পৌৰপতিক দিবৰ বাবে এখন স্মাৰকপত্ৰ প্ৰস্তুত কৰাঁ। ৮

*অথবা*

(খ) তোমাৰ অঞ্চলৰ বিশিষ্ট সাহিত্যিক এজনে সাহিত্য অকাদেমি বঁটাৰে সম্মানিত হোৱাৰ পিছত অভিনন্দন জনোৱাৰ উদ্দেশ্যে এখন প্ৰশস্তিপত্ৰ প্ৰস্তুত কৰাঁ।

৪। (ক) পৰিভাষা বুলিলে কি বুজা? সাহিত্যত পৰিভাষাৰ প্ৰয়োজনীয়তা আৰু ব্যৱহাৰৰ বিষয়ে চমু আলোচনা আগবঢ়োৱাঁ। ২+৫=৭

(খ) তলৰ যি কোনো আঠোটা ৰূপৰ অসমীয়া পৰিভাষা লিখাঁ : ১×৮=৮

Deputy Commissioner ; Circuit House ; Television ; Casual Leave ; National Highway ; Manuscript ; Income Tax ; Chief Justice ; Radio Station ; Daily Allowance ; Deputy Inspector of Schools ; Vice-Chancellor.

৫ । (ক) তলত দিয়া ইংৰাজী ভাষাৰ গদ্যাংশ অসমীয়া ভাষালৈ অনুবাদ কৰাঁ : ৫

Reading is my hobby. I read all types of books notably, fiction, non-fiction, plays and poems. I read them for delight and knowledge. Yet, from amongst all my readings, there are a few books that stand out to be my favourite ones. One such book is Dr. Birendra Kumar Bhattacharjee's *Mrityunjay.*

The novel, *Mrityunjay* records the last phase of the struggle for independence. Yet, *Mrityunjay* is not history. It is purely a work of fiction based on contemporary events. The characters of the novel might have existed in the flesh for each of these characters attempts to portray the spirit of those memorable times. The characters Bhibhiram of Dhonpur, Subhadra and Anupama and even Mahada Gosain of Daipara Satra have the element of realism about them.

(খ) যি কোনো দুটা বিষয়ত চমুকৈ লিখাঁ : ৫×২=১০

(১) অনুবাদৰ ক্ষেত্ৰ

(২) অনুবাদৰ লক্ষ্য

(৩) অনুবাদ কাৰ্যৰ উপকৰণ

৬। (ক) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বিভিন্ন যতি চিনসমূহৰ প্ৰয়োগ সম্পৰ্কে উদাহৰণসহ চমুকৈ লিখাঁ। ৮

*অথবা*

(খ) অসমীয়া ভাষাত স্বৰধ্বনিৰ উচ্চাৰণ সম্পৰ্কে থকা বৈশিষ্ট্যৰ বিষয়ে চমুকৈ লিখাঁ।

৭। তলৰ খণ্ডবাক্যকেইটিৰ অৰ্থ লিখি বাক্য ৰচনা কৰাঁ (যি কোনো চাৰিটা) : ৮

ফুটুকাৰ ফেন ; হাড়ত বন গজা ; হাত দীঘল ; ছল চাই কঠীয়া পাৰা ; চকুৰ কুটা দাঁতৰ শূল।

৮। তলৰ শব্দবোৰৰ যি কোনো পাঁচটা শুদ্ধকৈ লিখাঁ : ১×৫=৫

অণুসন্ধান ; কৃতীত্ব ; সম্মূখ ; আসিষ ; আদৰণি চভা ; সিৱসাগৰ ; আশিৰ্বাদ ; মণীষা ; অনুষ্ঠীত ; ৰাজৰানি।

৯। (ক) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা অনুকাৰ আৰু অনুৰূপ শব্দৰ বিষয়ে চমুকৈ লিখাঁ। ৬

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দ আৰু বাক্য গঠনৰ বিষয়ে চমুকৈ লিখাঁ।

★★★